# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-12-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
**- - - - - - - - - - - - - -**

১। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি বীৰ শিশু দিৱস পালন।
২। ১২ দিনীয়া বৰ্ণিল কাৰ্যসূচীৰে কাইলৈৰ পৰা গুৰাহাটীৰ খানাপাৰাত অসম গ্ৰন্থমেলা আয়োজন।
৩। বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠেংছিলৈ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা।
৪। কাইলৈ তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ দ্বাবিংশ সমাৱৰ্তন অনুষ্ঠান। ***আৰু***
৫। মেলবৰ্ণত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ আজি প্ৰথমদিনা অষ্ট্ৰেলিয়াৰ ৬ উইকেটৰ বিনিময়ত ৩১১ ৰান সংগ্ৰহ।

০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি বীৰ শিশু দিৱস পালন কৰা হয়। এই উপলক্ষে বিভিন্ন বিদ্যালয়, শিশু যতন কেন্দ্ৰ আৰু অংগনবাড়ী কেন্দ্ৰসমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত মাই গভ আৰু মাই ভাৰত পোৰ্টেলৰ জৰিয়তে অনলাইন কুইজ, গল্প কথন, সৃষ্টিশীল ৰচনা, পোষ্টাৰ আদিৰ প্ৰতিযোগিতা আয়োজন কৰা হয়। গুৱাহাটী মহানগৰীৰ ছাৰাবভাট্টীৰ গোপীনাথ গুৰুদ্বাৰত আয়োজিত বীৰ শিশু দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি দিয়া ভাষণত স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে কয়, যে ধৰ্ম, ন্যায় আৰু মাতৃভূমিৰ ৰক্ষাৰ্থে শিখসকলৰ অন্তিম গুৰু গোবিন্দ সিঙৰ দুই পুত্ৰই জীৱন উৎসৰ্গা কৰাৰ বিৰল গাথাই চিৰকাল দেশবাসীক অনুপ্ৰেৰণা যোগাব। বীৰ শিশু দিৱস উপলক্ষে মিৰ্জাত অনুষ্ঠিত কেন্দ্ৰীয় কাৰ্যসূচীত মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অজন্তা নেওগ আৰু বিধায়ক হেমাংগ ঠাকুৰীয়াই কেইবাটিও শিশুক সন্মানিত কৰে।

০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত কাইলৈৰ পৰা গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত ১২ দিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অসম গ্ৰন্থমেলা-২০২৪ অনুষ্ঠিত হ'ব। চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰৰ পৰিৱৰ্তে এইবেলি খানাপাৰালৈ  এই গ্ৰন্থমেলা স্থানান্তৰিত কৰা হৈছে। আজি খানাপাৰাৰ অসম গ্ৰন্থমেলাৰ অস্থায়ী কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এই কথা প্ৰকাশ কৰে।

**বাইট (প্ৰমোদ কলিতা)**

কাইলৈ বিয়লি ৩ বজাত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে সন্মানীয় সভাপতিৰূপে অংশগ্ৰহণ কৰিব। সভাখনত দিল্লীৰ বিশিষ্ট সাংবাদিক, ইতিহাসবিদ, লেখক হিন্দল সেনগুপ্ত, বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ ধ্ৰুৱজ্যোতি বৰা, ভাৰতীয় প্ৰকাশক আৰু পুথি বিক্ৰেতা সংস্থাৰ সভাপতি সুৰিন্দৰ কুমাৰ ঘাইয়ে বিশিষ্ট

অতিথিৰূপে অংশগ্ৰহণ কৰিব। গ্ৰন্থমেলাত প্ৰতিদিনে ভাষা-সাহিত্য-সংস্কৃতি, ইতিহাস তথা সমাজ জীৱনৰ বিভিন্ন প্ৰাসংগিক আৰু গুৰুত্বপূৰ্ণ বিষয় লৈ আলোচনাসত্ৰ অনুষ্ঠিত হ'ব। এইবাৰ গ্ৰন্থমেলাৰ বিভিন্ন দিনৰ কাৰ্যসূচীত কলকাতাৰ বিশিষ্ট লেখক বিনোদ ঘোষাল, সংস্কৃত আৰু হিন্দী সাহিত্যৰ বিশিষ্ট কথাশিল্পী বলদেৱানন্দ সাগৰ, চলচ্চিত্ৰ পৰিচালক মনোজ শ্ৰীবাস্তৱ, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰৰ সচিব সচিদানন্দ যোশীয়ে বিশিষ্ট অতিথি হিচাপে ভাগ ল'ব। বছৰৰ শেষ দিনটোত গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংছিৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠিত হ'ব। ৫ জানুৱাৰীত গ্ৰন্থমেলাৰ বাকৰিত অনুষ্ঠিত হ'ব **শিশুৰ দিন**।

গ্ৰন্থমেলাৰ প্ৰতিদিনৰ বাতৰি প্ৰচাৰৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংছিলৈ এই বছৰৰ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা আগবঢ়োৱা হৈছে। 'ধাৰ আৰু অন্যান্য গল্প' পুথিৰ বাবে ঠংছিয়ে এই বঁটা লাভ কৰিছে। আজি অসম গ্ৰন্থমেলাৰ অস্থায়ী কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাৰ উপস্থিতিত উপাধ্যক্ষ সুমন্ত চলিহাই এই কথা ঘোষণা কৰে।

**বাইট (সুমন্ত চলিহা)**

অহা ৩১ ডিচেম্বৰত অসম গ্ৰন্থমেলাৰ বাকৰিত শ্ৰী ঠংছিক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। এই বঁটাত আছে – এখন প্ৰশস্তি পত্ৰ, অংগবস্ত্ৰ, স্মাৰক, কিতাপৰ টোপোলা আৰু নগদ ৫ লাখ টকা। ইয়াৰ উপৰি গ্ৰন্থখনৰ প্ৰকাশক বনলতাই এই বঁটাৰ বাবদ নগদ ৩ লাখ টকা পুৰস্কাৰ হিচাপে লাভ কৰিব।

০০০০০

তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ দ্বাবিংশ সমাৱৰ্তন উৎসৱ কাইলৈ অনুষ্ঠিত হ'ব। বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় বিদ্যালয় পৰিসৰত দিনৰ ১০ বজাৰ পৰা হ'বলগীয়া এই সমাৱৰ্তনত বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ অধ্যক্ষ, অধ্যাপক এম জগদেশ কুমাৰে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ৰাজ্যপাল তথা বিশ্ববিদ্যালয়ৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ সভাপতিত্বত হ'বলগীয়া এই সমাৱৰ্তনত বিশ্ববিদ্যালয়ৰ পৰা ডিপ্ল'মা লাভ কৰা ১৪ গৰাকী, স্নাতক ডিগ্ৰী লাভ কৰা ৪২৮ গৰাকী, স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা ৭৩৯ গৰাকী আৰু পি এইচ ডি ডিগ্ৰী লাভ কৰা ১৩১ গৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে ডিগ্ৰী প্ৰদান কৰা হ'ব। ইয়াৰ লগতে বিভিন্ন পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা ৪৯ গৰাকী শিক্ষাৰ্থীক সোণৰ পদকেৰে সন্মানিত কৰা হ'ব।

০০০০০

ভাৰতৰ কমিউনিষ্ট পাৰ্টী চমুকৈ চি পি আইৰ প্ৰতিষ্ঠাৰ ১০০ বছৰ সম্পূৰ্ণ হৈছে। এই উপলক্ষে আজি গুৱাহাটীৰ ৰাজগড়ত অৱস্থিত দলৰ ৰাজ্যিক কাৰ্যালয়ৰ প্ৰাংগণত শতবৰ্ষৰ শুভাৰম্ভণি কাৰ্যসূচী অনুষ্ঠিত হয়। আজিৰ এই অনুষ্ঠানত দলৰ জ্যেষ্ঠ নেতা ডম্বৰু বৰাই ৰক্ত পতাকা উত্তোলন কৰাৰ লগতে যোৱা ১০০ বছৰে দেশৰ প্ৰতি সেৱা আগবঢ়াই জীৱন উৎসৰ্গা কৰা সংগ্ৰামী নেতাসকলৰ প্ৰতি শ্ৰদ্ধা তৰ্পন, ৰাজহুৱা সভা আদিও অনুষ্ঠিত হয়। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট শিক্ষাবিদ, চিন্তাবিদ ড০ হীৰেন গোহাঁঞে কয়, যে, চি পি আইৰ দলৰ নেতা-কৰ্মীসকলে দলটোৰ সাংগঠনিক অৱস্থাৰ বিষয়ে নিৰ্মোহ পৰ্যালোচনা কৰাৰ প্ৰয়োজন আছে। অনুষ্ঠানত চি পি আই এমৰ নেতা শতঞ্জীৱ দাস, ফৰোৱাৰ্ড ব্লকৰ ৰাজ্যিক অধ্যক্ষ মিহিৰ

নন্দী, এন চি পি দলৰ সম্পাকৰ পৰেশ বৰুৱা আদিৰ লগতে বিশিষ্ট সাংবাদিক বৈকুণ্ঠ গোস্বামী, দেৱেন তামুলী, লেখিকা সুপৰ্ণা লাহিৰী আদি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।০০০০০

০০০০০

তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত চাকৰি আৰু ঋণ মেলা অনুষ্ঠিত হয়। অনুষ্ঠানত স্থানীয় বিধায়ক, বি টি আৰৰ পাৰিষদ হেমন্ত কুমাৰ ৰাভা, তামুলপুৰ জিলাৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীকে ধৰি প্ৰশাসনৰ কেইবাজনো জ্যেষ্ঠ বিষয়াৰ লগতে কেইবাগৰাকীও উদ্যোগৰ লগত জড়িত ব্যক্তিৰ লগতে দুহেজাৰৰো অধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে।

০০০০০

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে ভূমি-ৰাজহ সংগ্ৰহ ব্যৱস্থা অধিক স্বচ্ছ, কাৰ্যকৰী আৰু সুগম কৰাৰ লক্ষ্যৰে অনলাইন আৰু অফলাইন মাধ্যমেৰে খাজনা পৰিশোধৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি পট্টাদাৰসকলে অনলাইন ই-খাজনাৰ যোগে বা অফলাইন মৌজাদাৰৰ পৰা সংগ্ৰহ কৰা চি এফ আৰৰ জৰিয়তে ভূমি ৰাজহ আদায় দিব পাৰিব। এই অনলাইন ব্যৱস্থাই কৰ্মসূত্ৰে বা বিভিন্ন কাৰণত বাহিৰত থকা পট্টাদাৰসকলক ভূমি ৰাজহ আদায় দিয়াৰ ক্ষেত্ৰত সহায় কৰিব বুলি আশা কৰা হৈছে। সকলো জিলাৰ মৌজাদাৰ বা তহচিলদাৰৰ কাৰ্যালয়ত এই সুবিধা থাকিব।

০০০০০

ওদালগুৰি জিলাৰ ডিমাকুছিৰ নিকটৱৰ্তী দৈমু নগৰ পথাৰত অহা ৯ জানুৱাৰীৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে হ'বলগীয়া বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক কেন্দ্ৰীয় অধিৱেশনৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। ইয়াৰ বাবে সুসজ্জিত তোৰণ, বিশাল মঞ্চ, প্ৰতিনিধি শিবিৰ আদি গঢ়ি তোলা হৈছে। বড়ো জাতি জনগোষ্ঠীৰ ঐতিহ্য, পৰম্পৰা, ভাষা-সাহিত্য-সংস্কৃতিক নৱপ্ৰজন্মৰ মাজত পৰিচয় কৰি দিয়াৰ উদ্দেশ্যে এখন বিশেষ প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। আমাৰ ওদালগুৰিৰ সংবাদদাতাই জনোৱা মতে বড়ো সাহিত্য সভাৰ এই অধিৱেশনত বাংলাদেশ, নেপাল, ভূটান, আদিকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যত বসবাস কৰা বড়ো সম্প্ৰদায়ৰ লোকসকলে অংশগ্ৰহণ কৰিব। অধিৱেশনৰ সামৰণি অনুষ্ঠানলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক জনোৱা হৈছে।

০০০০০

গুৱাহাটী মহানগৰীৰ দিছপুৰৰ নাহৰণি পথত আজি ব্যাৰ্থ প্ৰেমিকৰ ছুৰীৰ আঘাটত এগৰাকী বিবাহিতা মহিলাৰ মৃত্যু হয়। আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনোৱা মতে আজি দুপৰীয়া ভূপেন দাস নামৰ বৃত্তিত টেক্সী চালকএগৰাকীয়ে দিছপুৰৰ লাষ্টগে'টৰ সমীপৰ নাহৰণি পথত এগৰাকী বিবাহিতা মহিলাক ছুৰীৰে ডিঙি আৰু পেটত আক্ৰমণ কৰে। মহিলাগৰাকীয়ে হাততো ছুৰীৰ আঘাত পায়। গুৰুতৰভাৱে আহত মহিলাগৰাকীক স্থানীয় লোকৰ সহায়ত আৰক্ষীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰায় যদিও হাস্পতালতে তেওঁৰ মৃত্যু হয়। এই ঘটনা সংঘটিত কৰি ভূপেন দাস নামৰ অভিযুক্তজনে আত্মহত্যাৰ চেষ্টা চলাই যদিও আৰক্ষীয়ে তেওঁক কৰায়ত্ব কৰে। বিবাহিত ভূপেন দাসে বিবাহিতা মহিলাগৰাকীক প্ৰেমৰ প্ৰস্তাৱ দিছিল যদিও এই প্ৰস্তাৱ তেওঁ প্ৰত্যাখ্যান কৰাত ভূপেনে এই চৰম পন্থা গ্ৰহণ কৰে বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। মৃত মহিলাগৰাকীৰ ঘৰ ডিব্ৰুগড় জিলাৰ টিংখঙত বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

রাজ্য চৰকাৰৰ নগৰ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী  জয়ন্ত মল্লবৰুৱাই আজি গুৱাহাটীৰ সোণাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত সঞ্জা মেলা উদ্বোধন কৰে। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ অধীনৰ দিন দয়াল জন আজীৱিকা যোজনাৰ অধীনত নগৰীয়া জীৱিকা অভিযান শাখাৰ তত্বাৱধানত আৰম্ভ হোৱা এই মেলা অহা ৩০ ডিচেম্বৰলৈ চলিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। আজিৰ উদ্বোধনী অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াকে ধৰি বিভাগীয় জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত হাতী-মানুহৰ সংঘাত উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। তামুলপুৰৰ লক্ষ্মী নাৰায়ণপুৰত যোৱা নিশা বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই ২০টাৰো অধিক বাসগৃহ ধ্বংস কৰে। খাদ্যৰ সন্ধানত জনবসতিপূৰ্ণ অঞ্চললৈ ওলাই অহা বনৰীয়া হাতীৰ জাকৰ আক্ৰমণৰ পৰা প্ৰায় ১৫টা পৰিয়ালৰ কথমপি প্ৰাণৰক্ষা পৰে। অঞ্চলটোৰ বহুলোকে বন্যহস্তীৰ আক্ৰমণৰ পৰা হাত সাৰিবলৈ সুৰক্ষিত স্থানত অৱস্থান কৰিছে।

ইফালে গোলাঘাট জিলাত হাতী-মানুহৰ সংঘাত ৰোধ কৰিবৰ বাবে খুমটাইৰ এদল যুৱকে বিশেষ উদ্যোগ হাতত লৈছে। পল্লৱ গগৈ নামৰ আদৰ্শ কৃষকগৰাকীৰ নেতৃত্বত যুৱকৰ দলটোৱে গাঁওবাসীৰ ঘৰে ঘৰে গৈ কলগছ, ঔটেঙা, ধান আদি সংগ্ৰহ কৰি বন্যহস্তীৰ বাবে খাদ্যৰ যোগান ধৰিছে। জিলাখনৰ বন সংমণ্ডলে বন্যপ্ৰাণীৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোকক সহজে ক্ষতিপূৰণ প্ৰদানৰ উদ্দেশ্যে ব্যতিক্ৰমী প্ৰচেষ্টা হাতত লৈছে। ইয়াৰ অংশ হিচাপে ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে মুকলি আবেদন গ্ৰহণৰ ব্যৱস্থা কৰিছে।

০০০০০

ধেমাজি জিলাৰ জিয়াঢল অঞ্চলত বন জুইৰ ফলত বন বিভাগে নতুনকৈ গছপুলি ৰোপণ কৰা প্ৰায় ১৩০ হেক্টৰ বনাঞ্চল ভস্মীভূত হৈছে। ইতিমধ্যে বনাঞ্চলখনৰ বিভিন্ন অংশলৈ বন জুই বিয়পি পৰা বুলি জানিব পৰা গৈছে। শীতকালত শুকান আৰু খৰাং বতৰৰ বাবে বনাঞ্চলসমূহৰ গছ-গছনিৰ পাত সৰি যোৱাৰ লগতে মাটিৰ আৰ্দ্ৰতাও নোহোৱা হয়। এনেক্ষেত্ৰত সামান্যভাৱে জুইৰ সংস্পৰ্শলৈ আহিলেই বন জুইৰ সম্ভাৱনা বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি বন বিভাগে জনসাধাৰণক এইক্ষেত্ৰত সজাগ হ'বলৈ আহ্বান জনাইছে।

০০০০০

খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী কৌশিক ৰায়ে আজি হাইলাকান্দি চহৰৰ উপকণ্ঠৰ বৰজুৰাই গাঁৱত ৰাজ্য চৰকাৰৰ এটা ধান সংগ্ৰহ কেন্দ্ৰ পৰিদৰ্শন কৰি কৃষকসকলক এই কেন্দ্ৰটোত ন্যুনতম সমৰ্থন মূল্যত ধান বিক্ৰী কৰিবলৈ আহ্বান জনায়। এই উপলক্ষে আয়োজিত এখন সভাত মন্ত্ৰীগৰাকীয়ে এই কেন্দ্ৰত এহেজাৰ মেট্ৰিক টন ধান সংগ্ৰহ কৰিব পৰা যাব বুলি উল্লেখ কৰে। তেওঁ কয়, যে কৃষকৰ পৰা পোনপটীয়াকৈ ধান সংগ্ৰহ কৰিবলৈ চৰকাৰে প্ৰতিটো বিধানসভা সমষ্টিত এনে কেন্দ্ৰ স্থাপন কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। তদুপৰি চৰকাৰে ৰেচন কাৰ্ড থকা ব্যক্তিসকলক সুলভ মূল্যত দাইল আৰু চেনি প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে বুলিও মন্ত্ৰী শ্ৰীৰায়ে প্ৰকাশ কৰে।

০০০০০

মেলবৰ্ণত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ আজি প্ৰথমদিনা অষ্ট্ৰেলিয়াই দিনান্তত ৬ উইকেটৰ বিনিময়ত ৩১১ ৰান সংগ্ৰহ কৰে। আজি অষ্ট্ৰেলিয়াই টচত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয় আৰু লাবুচেঙৰ ৭২, চেম কনষ্টাছৰ ৬০, ওচমান খোৱাজাৰ ৫৭ আৰু ষ্টিভেন স্মিথৰ অপৰাজিত ৬৮ ৰানৰ সহায়ত ৩০০ ৰান অতিক্ৰম কৰে। অধিনায়ক পেট কামিন্‌ছে ৮ ৰান কৰি ষ্টিভেন

স্মিথৰ সৈতে বেট ধৰি আছে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই তিনিটা আৰু আকাশদীপ, ৰবীন্দ্ৰ জাদেজা আৰু ৱাশ্বিংটন সুন্দৰে এটাকৈ উইকেট দখল কৰিছে।০০০০

০০০০০

জয়পুৰত অনুষ্ঠিত বিজয় হাজাৰে ট্ৰফী ৰাষ্ট্ৰীয় এদিনীয়া প্ৰতিযোগিতাৰ নিজৰ তৃতীয়খন গ্ৰুপৰ খেলত অসমক গুজৰাটেৰ ৮ উইকেটত পৰাস্ত কৰিছে। প্ৰথমে বেট ধৰি অসমে গুজৰাটক জয়ৰ বাবে ৭৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল। প্ৰত্যুত্তৰত গুজৰাটে ৯ অভাৰ ৫টা বলত দুটা উইকেট হেৰুৱাই ৭৮ ৰান কৰে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ইংৰাজী ২০২৪ বৰ্ষৰ সমাপ্তি উপলক্ষে কেইটামান বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি পৰহিলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সমাজৰ নিঃস্ব, আৰ্তজন আৰু অমাতৰ হৈ নীৰৱে কাম কৰি যোৱা তিনিগৰাকী ব্যক্তিৰ বছৰটোৰ সামৰণিৰ উপলব্ধি প্ৰচাৰ কৰা হ'ব। ৩১ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দেশ-বিদেশৰ ৰাজনীতি-সমাজনীতি, ক্ৰীড়া, সংস্কৃতি, সাহিত্য জগতৰ উল্লেখযোগ্য ঘটনাৱলীৰ বছৰজোৰা আলোকপাতৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ ষ্টুডিঅ'ত সাংবাদিক, চলচ্চিত্ৰ সমালোচক আৰু ৰাজনৈতিক পৰ্যবেক্ষক উপস্থিত থাকি বছৰটোৰ উল্লেখযোগ্য ঘটনাৱলীৰ পৰ্যালোচনা আগবঢ়াব।

০০০০০

সমাপ্ত